**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া অপৰাধ অনুসন্ধান শাখাৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত এই বৈঠক অনুষ্ঠিত হৈছে।

হিয়াৰ আমঠু শিল্পীগৰাকীৰ আকস্মিক বিয়োগত আজিও ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি গোটেই নিশা বহুলোক তেওঁৰ গীত আওৰাই উজাগৰে থাকে।

মন্ত্ৰী পীযূষ হাজৰিকাই আজি প্ৰয়াত শিল্পীগৰাকীৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে আত্মীয়ক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে জুবিন গাৰ্গৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। সকলোৰে অতিকৈ প্ৰিয় শিল্পীগৰাকীৰ আকস্মিক বিয়োগক গুৰুত্ব সহকাৰে লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তদন্তৰ নিৰ্দেশ দিছে বুলি তেওঁ কয়।

**বাইট ঃ পীযূষ হাজৰিকা**

ইপিনে শুক্ৰেশ্বৰ মন্দিৰত প্ৰয়াত শিল্পীগৰাকীৰ পিণ্ড দান কাৰ্য আজি সম্পন্ন হয়। ঋতু প্ৰয়াগ গাৰ্গ আৰু অৰুণ গাৰ্গে ব্ৰহ্মপুত্ৰৰ পাৰত পিণ্ড দান কৰে।

ৰাজ্যৰ আন আন ঠাইতো শিল্পীগৰাকীৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জুবিন গাৰ্গৰ স্মৃতিত নগাঁও চহৰৰ নেহৰুবালিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজিত হয়। জিলাখনৰ ৫০০ৰো অধিক শিক্ষানুষ্ঠান, দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে মৰমৰ শিল্পীগৰাকীৰ চিতাভস্মত শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ লগতে সকলোৱে **মায়াবিনী ৰাতিৰ বুকুত** শীৰ্ষক গানটো গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

আজাৰাৰ কাহিকুছি প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰিয় শিল্পীগৰাকীৰ দুটিকৈ গীত পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ হোজাইৰ জিলা আমছুৱে জুবিন গাৰ্গৰ এটি প্ৰতিমূৰ্তি আৰু সংগ্ৰহালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। হোজাই, ডবকা বা নীলবাগানত সংগ্ৰহালয় স্থাপন কৰিবলৈ সংগঠনটোৱে আগ্ৰহ প্ৰকাশ কৰিছে। আমছুৱে ইয়াৰ বাবে হোজাইৰ জিলা আয়ুক্ত বিকাশ ভাগৱতীলৈ ভূমি বিচাৰি আৱেদন জনাইছে। আমছুৱে ভূমি আবণ্টন হোৱাৰ লগে লগে প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম নিজাববীয়াকৈ আৰম্ভ কৰিব বুলি সংগঠনটোৰ জিলা সভাপতি কবিৰ আহমেদ লস্কৰে বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত অস্বাভাৱিকভাৱে মৃত্যু হোৱা ঘটনাৰ তদন্ত বিচাৰি এজন অধিবক্তাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰিছে। অহা ৮ নৱেম্বৰত এই

আবেদনখনৰ শুনানিৰ বাবে তালিকাভুক্ত কৰিবলৈ উচ্চ ন্যায়ালয়ে আজি নিৰ্দেশ দিছে। অৱশ্যে কোনো ব্যক্তিগত স্বাৰ্থত যদি এই আবেদনখন দাখিল কৰা হৈছে তেনেহ'লে আবেদনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আদালতে সকিয়াই দিছে।

০০০০

অসম চৰকাৰে ব্যৱসায়ী আৰু নিজকে সাংস্কৃতিক কৰ্মী বুলি দাবী কৰা শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে জড়িত যিকোনো সংগঠন বা সংস্থাই ৰাজ্যখনৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে সেই ব্যক্তিজনৰ সৈতে জড়িত কোনো অনুষ্ঠানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনোধৰণৰ আৰ্থিক অনুদান, বিজ্ঞাপন, বা পৃষ্ঠপোষকতা প্ৰদান নকৰে। লগতে ৰাজ্য চৰকাৰে তেওঁক কোনোধৰণৰ বিত্তীয় সাহায্য বা পৃষ্ঠপোষকতা প্ৰদান নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ক্ষন্তেক সময়ৰ আগতে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গক ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ আমন্ত্ৰণ কৰি লৈ যোৱা আৰু ছিংগাপুৰৰ সাগৰত পানীত বুৰি জুবিন গাৰ্গৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত পৰৱৰ্তী কালত কেতবোৰ স্ব-বিৰোধী মন্তব্য কৰাৰ পৰিপ্ৰেক্ষিতত শ্যামকানু মহন্তৰ বিৰুদ্ধে সমগ্ৰ অসমতে তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল।

০০০০০০০

ছিংগাপুৰত অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত নাম সাঙোৰ খোৱা ৰাজ্যৰ এটা ব্যক্তিগত টেলিভিছন চেনেলৰ মুখ্য পৰিচালন সঞ্চালক সঞ্জীৱ নাৰায়ণে আজি এখন সংবাদমেলত নিজৰ স্থিতি স্পষ্ট কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ যিকোনো তদন্তৰ বাবে তেওঁ সাজু বুলি উল্লেখ কৰি নাৰায়ণে কয় যে এই ঘটনা সংক্ৰান্ত তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সত্য নহয়। তেওঁ সেই ঘটনাৰ সময়ত শিল্পীগৰাকীৰ সৈতে উপস্থিত নাছিল বুলি উল্লেখ কৰে। ঘটনাৰ সম্ভেদ পোৱাৰ লগে লগে তেওঁ তালৈ গৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু কেইবাগৰাকী মন্ত্ৰীক অৱগত কৰে বুলি জানিবলৈ দিয়ে।

০০০০

অসম ৰে'ল যাত্ৰী সন্থাই নিউ তিনিচুকীয়া আৰু ধুবুৰীৰ মাজত ইণ্টাৰচিটী ৰে'লগাড়ীখন পুনৰ প্ৰৱৰ্তন কৰি ইয়াক জুবিন এক্সপ্ৰেছ নামেৰে চলাচল কৰাবলৈ আহ্বান জনাইছে। ২০২৩ চনত তিনিচুকীয়াৰ পৰা ধুবুৰীলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱেই  চলাচল বন্ধ কৰি দিয়া এই জৰুৰী ৰে'লগাড়ীখন পুনৰ চলাচল কৰাবলৈ ৰে'লযাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মাই আহ্বান জনাইছে। তেওঁ কয়, যে বৰপেটাৰোড, ৰঙিয়া, টংলা, ওদালগুৰি আদিৰ পৰা তিনিচুকীয়া অথবা ধুবুৰীলৈ বিকল্প ৰে'লগাড়ী চলাচল নথকা হেতুকে এই ৰে'লখন অত্যন্ত আৱশ্যক। শিল্পীগৰাকীৰ প্ৰয়াণত উত্তৰ-পূব সীমান্ত ৰে'লৱেই মালিগাঁৱৰ লগতে বিভিন্ন ষ্টেচনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। সেই হেতুকে জুবিন গাৰ্গৰ নামত ৰে'লগাড়ীখনৰ চলাচল কৰাই তেওঁৰ প্ৰতি সন্মান জনোৱাৰ লগতে ৰে'লযাত্ৰীৰ বহুদিনীয়া প্ৰয়োজন পূৰাবলৈ ৰে'লযাত্ৰী সন্থাই উত্তৰ-পূব সীমান্ত ৰে'লৱেক আহ্বান জনাইছে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ